**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-12-2024
**Time :** 0755 Hrs

***Assamese Morning Bulletin***
***-----------------------***

ৰাজ্য চৰকাৰৰ উদ্যোগত আজিৰে পৰা অহা ১২ দিনলৈ শিক্ষা, ৰাজহ, উদ্যোগ আৰু বিত্ত বিভাগৰ জৰিয়তে সকলো জিলাতে বিকাশৰ ১২ দিন শীৰ্ষক উন্নয়ন কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হ'ব। আজি গুৱাহাটীৰ সৰুসজাই ক্ৰীড়া প্ৰকল্পত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু মন্ত্ৰী ডা০ ৰণোজ পেগুৱে কামৰূপ আৰু কামৰূপ মহানগৰ জিলাৰ বিকাশৰ ১২ দিনৰ কাৰ্যসূচী শুভাৰম্ভ কৰিব।

মন্ত্ৰী অজন্তা নেওগে যোৰহাট জিলা ষ্টেডিয়ামত দিনৰ ১১ বজাত জিলাখনৰ বিকাশৰ ১২ দিনৰ কাৰ্যসূচীও শুভাৰম্ভ কৰিব। এই কাৰ্যসূচীত প্ৰজ্ঞান ভাৰতী আঁচনিৰ অধীনত আনন্দৰাম বৰুৱা বঁটা আৰু ড০ বাণীকান্ত কাকতি মেধা বঁটা প্ৰদান কৰাৰ লগতে ২০২৪-২৫ বৰ্ষত নৱম শ্ৰেণীত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলক চাইকেল প্ৰদান কৰা হ'ব। ৰাজ্য চৰকাৰে ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনাৰ জৰিয়তে দুৰ্যোগত ক্ষতিগ্ৰস্ত পৰিয়াললৈ সাহায্য প্ৰদান কৰা হ'ব। লগতে কৃষি, মীণ, পশুপালন আৰু পশুচিকিৎসা খণ্ডত ক্ষতিগ্ৰস্ত পৰিয়াললৈ সাহায্য আগবঢ়োৱা হয়। ৰাজ্যৰ মাইক্ৰ'ফাইনেন্সৰ ঋণীক No Dues Certificate প্ৰদান কৰা হ'ব। অসম ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠানক উদগণি আৰু সকাহ আঁচনিৰ অধীনত কেইবাহাজাৰ হিতাধিকাৰীক সাহায্য প্ৰদানৰো সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। উদ্যোগ আৰু বাণিজ্য বিভাগৰ জৰিয়তে এই কাৰ্যসূচীত আত্মসহায়ক গোটৰ মহিলাক স্বাৱলম্বী হোৱাৰ বাবে প্ৰাৰম্ভিক মূলধন বিতৰণ কৰা হ'ব।

০০০০০০

অসম চৰকাৰৰ প্ৰজ্ঞান ভাৰতী আঁচনিৰ অধীনত আজিৰেপৰা ২৬ হাজাৰ ৯৬৯ গৰাকী শিক্ষাৰ্থীলৈ আনন্দৰাম বৰুৱা বঁটা আগবঢ়োৱা হ'ব। এই কাৰ্যসূচীৰ অধীনত দশম শ্ৰেণীৰ পৰীক্ষাত ৭৫ শতাংশ বা ততোধিক নম্বৰ পোৱা ছাত্ৰ-ছাত্ৰীসকলক সামৰি লোৱা হ'ব। আনহাতে ড০ বাণীকান্ত কাকতি বঁটা প্ৰদান আঁচনিৰ অধীনত দ্বাদশ শ্ৰেণীৰ পৰীক্ষাত কৃৰ্তিত্ব অৰ্জন কৰা ছাত্ৰ-ছাত্ৰীসক স্কুটী বিতৰণ কাৰ্যসূচীৰ আজি শুভাৰম্ভ কৰা হ'ব। তেওঁ কয়, যে আনন্দৰাম বৰুৱা বঁটাপ্ৰাপ্ত শিক্ষাৰ্থীক বেংক একাউণ্টৰ জৰিয়তে ১২ হাজাৰ ৫০০ টকাকৈ প্ৰদান কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে এই বঁটা প্ৰদানৰ শুভাৰম্ভ কৰাৰ পাছত পৰৱৰ্তী সময়ত প্ৰতিখন জিলাতে এই বঁটাসমূহ প্ৰদান কৰা হ'ব। আনহাতে ড০ বাণীকান্ত কাকতি বঁটা প্ৰদান কাৰ্যসূচীৰ অধীনত আজি উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষত ৭৫ শতাংশ বা ততোধিক নম্বৰ লাভ কৰা ছাত্ৰ আৰু ৬০ শতাংশ বা ততোধিক নম্বৰ লাভ কৰা ছাত্ৰীক স্কুটী প্ৰদান কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হ'ব। চলিত বছৰত ৪৮ হাজাৰ ৬৭৩ গৰাকী ছাত্ৰ-ছাত্ৰীক শিক্ষা বিভাগে এই বঁটা প্ৰদান কৰিব। শিক্ষা মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰা মতে মুখ্যমন্ত্ৰী ড০ শৰ্মাই আজি কামৰূপ আৰু কামৰূপ মহানগৰ জিলাৰ ছাত্ৰ-ছাত্ৰীক এই দুয়োটা বঁটা প্ৰদানৰ শুভাৰম্ভ কৰিব। শিক্ষা মন্ত্ৰীগৰাকীয়ে লগতে কয়, যে ৰাজ্য চৰকাৰে পঞ্চম আৰু অষ্টম শ্ৰেণীৰ বাবে পূৰ্বে অনুষ্ঠিত মুখ্যমন্ত্ৰীৰ বৃত্তি পৰীক্ষাৰ নাম সলনি কৰি আনন্দৰাম বৰুৱা বঁটা প্ৰদানৰ বাবেও পৰিকল্পনা লৈছে।

০০০০০০

ভাৰতীয় ৰিজাৰ্ভ বেংকৰ নতুন গৱৰ্ণৰ হিচাপে সঞ্জয় মালহোত্ৰাই আজি দায়িত্বভাৰ গ্ৰহণ কৰিব। বৰ্তমানৰ গৱৰ্ণৰ শক্তিকান্ত দাসৰ স্থলাভিষিক্ত হ'বলগীয়া মালহোত্ৰাই সম্প্ৰতি কেন্দ্ৰীয় ৰাজহ দপ্তৰৰ সচিব হিচাপে

কাৰ্যনিৰ্বাহ কৰি আছে। তেওঁক ৩ বছৰ কাৰ্যকালৰ বাবে ৰিজাৰ্ভ বেংকৰ গৱৰ্ণৰ হিচাপে নিযুক্তি দিয়া হৈছে। উল্লেখযোগ্য যে ১৯৯০ বৰ্ষৰ ৰাজস্থান কেডাৰৰ ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়া মালহোত্ৰা হ'ব ৰিজাৰ্ভ বেংকৰ ২৬ সংখ্যক গৱৰ্নৰ। আই আই টি কাণপুৰৰ অভিযান্ত্ৰিকৰ স্নাতক ডিগ্ৰীধাৰী মালহোত্ৰাই পাব্লিক পলিচী বিষয়ত আমেৰিকাৰ প্ৰিন্সটন বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী গ্ৰহণ কৰিছিল।

০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীৰ বিজ্ঞান ভৱনত চলিত বৰ্ষৰ ৰাষ্ট্ৰীয় পঞ্চায়ত বঁটা প্ৰদান কৰিব। তৃণমূল পৰ্যায়ত প্ৰশাসন আৰু উন্নয়নত দেখুওৱা পাৰদৰ্শিতাৰ বাবে এইবাৰ বিভিন্ন শিতানত মুঠ ৪৫জন বঁটা প্ৰাপকক বাছনি কৰা হৈছে। এই বঁটা প্ৰদান অনুষ্ঠানত বিভাগীয় কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে বঁটা বিজয়ী পঞ্চায়তসমূহৰ অভিনৱ আৰু প্ৰভাৱশালী পদ্ধতি সম্বলিত এখন পুস্তিকা উন্মোচন কৰিব। মন্ত্ৰালয়ে বিবৃতিযোগে কয়, যে এই বঁটা প্ৰদান অনুষ্ঠানৰ জৰিয়তে অন্যান্য পঞ্চায়তসমূহক উত্তম পদ্ধতি গ্ৰহণ কৰিবলৈ আৰু দেশৰ গ্ৰামাঞ্চলসমূহৰ সামগ্ৰিক উন্নয়নত অৰিহনা যোগাবলৈ অনুপ্ৰাণিত কৰাৰ লক্ষ্য লোৱা হৈছে।

০০০০০০

ভাৰতীয় ৰিজাৰ্ভ বেংকৰ নতুন গৱৰ্ণৰ হিচাপে সঞ্জয় মালহোত্ৰাই আজি দায়িত্বভাৰ গ্ৰহণ কৰিব। বৰ্তমানৰ গৱৰ্ণৰ শক্তিকান্ত দাসৰ স্থলাভিষিক্ত হ'বলগীয়া মালহোত্ৰাই সম্প্ৰতি কেন্দ্ৰীয় ৰাজহ দপ্তৰৰ সচিব হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে। তেওঁক ৩ বছৰ কাৰ্যকালৰ বাবে ৰিজাৰ্ভ বেংকৰ গৱৰ্ণৰ হিচাপে নিযুক্তি দিয়া হৈছে। উল্লেখযোগ্য যে ১৯৯০ বৰ্ষৰ ৰাজস্থান কেডাৰৰ ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়া মালহোত্ৰা হ'ব ৰিজাৰ্ভ বেংকৰ ২৬ সংখ্যক গৱৰ্নৰ। আই আই টি কাণপুৰৰ অভিযান্ত্ৰিকৰ স্নাতক ডিগ্ৰীধাৰী মালহোত্ৰাই পাব্লিক পলিচী বিষয়ত আমেৰিকাৰ প্ৰিন্সটন বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী গ্ৰহণ কৰিছিল। ০০০০০

০০০০০০

তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত কালিৰে পৰা তিনিদিনীয়াকৈ দ্বিতীয় পৰ্যায়ৰ খেল মহাৰণ প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। এই খেল মহাৰণ প্ৰতিযোগিতাত তামুলপুৰ বিধানসভা সমষ্টিৰ প্ৰায় ২ হাজাৰ খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে। ভৱানীপুৰৰ বিধায়কে হাতত অগ্নিশিক্ষা লৈ কালি খেল মহাৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে।

০০০০০০

নাগালেণ্ডৰ কিচামা গাঁৱত অনুষ্ঠিত ২৫ সংখ্যক হৰ্ণবিল মহোৎসৱৰ কালি সামৰণি পৰে। এই উপলক্ষে কালি বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত উপস্থিত থাকি ৰাজ্যখনৰ পৰ্যটন মন্ত্ৰী আৰু মহোৎসৱৰ আয়োজক টেমজেন ইম্নাই নাগালেণ্ডৰ মুখ্যমন্ত্ৰী নেইফিউ ৰিঅ'ৰ লগতে অভ্যাগতসকলক কৃতজ্ঞতা জ্ঞাপন কৰে। কালিৰ অনুষ্ঠানত আমেৰিকা যুক্তৰাষ্ট্ৰৰ দূতাবাসৰ প্ৰতিনিধি গ্ল'ৰিয়া বাৰবেনাৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উল্লেখযোগ্য যে মহোৎসৱৰ ১০ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীত কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰী তথা অন্য বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

এইবাৰ এই মহোৎসৱৰ ৰূপালী জয়ন্তী বৰ্ষত নাগালেণ্ড চৰকাৰৰ সৈতে বেলছ, জাপান, পেৰু আৰু আমেৰিকাই সহযোগিতা আগবঢ়ায়। আনহাতে ছিকিম আৰু তেলেংগানায়ো এই মহোৎসৱত সহযোগ কৰে।

মহোৎসৱৰ উদ্বোধনী অনুষ্ঠানত যশস্বী সংগীত শিল্পী এ আৰ ৰহমান উপস্থিত আছিল।

০০০০০০

সমাপ্ত